**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-07 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি গৃহ ৰাজ্য ওড়িশাৰ ভূবনেশ্বৰত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি পবিত্ৰ তীৰ্থনগৰী পুৰীৰ বিশ্বপ্ৰসিদ্ধ ৰথ যাত্ৰা প্ৰত্যক্ষ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা তিনিদিনীয়া চৰকাৰী কাৰ্যসূচীৰে ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণ কৰিব।

৩। অসমৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈ আছে। সাম্প্ৰতিক বানত বিগত ২৪ ঘণ্টাত আৰু ৬ জন লোকে প্ৰাণ হেৰুৱাৰ ফলত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৮ লৈ বৃদ্ধি পাইছে।

৪। ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত ইংলেণ্ড আৰু নেডাৰলেণ্ডে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

**আৰু**

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেল আজি জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত হ'ব।

০০০০০

অসমৰ সাম্প্ৰতিক বানত বিগত ২৪ ঘণ্টাত আৰু ৬ জন লোকে প্ৰাণ হেৰুৱাৰ ফলত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৮ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈ আছে আৰু ২৯ খন জিলাৰ প্ৰায় ২৪ লাখ লোক বানৰ কবলত পৰিছে। ৰাজ্যখনৰ ১০৭টা ৰাজহ চক্ৰৰ ৩ হাজাৰ ৫০০ খনৰো অধিক গাঁও বানত প্লাৱিত হৈছে আৰু ৬৮ হাজাৰ হেক্টৰৰো অধিক কৃষিভূমি নষ্ট হৈছে। এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দলে বিগত ২৪ ঘণ্টাত বিভিন্ন প্ৰান্তৰ ২১৮ জন লোকক উদ্ধাৰ কৰিছে।

ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ আছে। শেহতীয়া বানে বিগত ২৪ ঘণ্টাত ১৭৬টা পথ আৰু দুখন দলঙৰ লগতে আন বহুতো আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত কৰিছে। এই বানত ১৫ লাখৰো অধিক জীৱ-জন্তু প্ৰভাৱিত হৈছে। ৰাজ্য চৰকাৰে ইতিমধ্যে বিভিন্ন প্ৰান্তত ২৯৩টা সাহায্য শিবিৰ আৰু ২৮৪টা সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। ইপিনে বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনত ধাৰাষাৰৰ পৰা মুষলধাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি গৃহ ৰাজ্য ওড়িশাৰ ভূবনেশ্বৰত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি পবিত্ৰ তীৰ্থনগৰী পুৰীৰ প্ৰভু জগন্নাথ, প্ৰভু বলোভদ্ৰ, দেৱী শুভদ্ৰা আৰু প্ৰভু সুদৰ্শনৰ বিশ্বপ্ৰসিদ্ধ ৰথ যাত্ৰা প্ৰত্যক্ষ কৰিব। কালি ভূবনেশ্বৰত উপস্থিত হোৱাৰ পাছত ওড়িশাৰ ৰাজ্যপাল ৰঘূবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলে বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান

বন্দৰত শ্ৰীমতী মুৰ্মুক আদৰণি জনায়। শ্ৰীমতী মুৰ্মুৱে কালি সন্ধিয়া ভূৱনেশ্বৰত উৎকলমানী পণ্ডিত গোপাবন্ধু দাসৰ ৯৬ সংখ্যক মৃত্যু বাৰ্ষিকিৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাইলৈ তেওঁ ভূৱনেশ্বৰৰ ঐতিহাসিক উদয়গিৰি আৰু খণ্ডগিৰিৰ গুহাসমূহ পৰিদৰ্শন কৰাৰ লগতে বিভূতি কাননগু কলা আৰু চাৰুকলা মহাবিদ্যালয় আৰু উৎকল সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰাৰ কথা আছে। সেইদিনাই ভূৱনেশ্বৰৰ সমীপৰ হৰিদামাদা গাঁৱত ব্ৰহ্মকুমাৰীৰ ডিভাইন ৰিট্ৰিট চেণ্টাৰ উদ্বোধন কৰাৰ লগতে লাইফ ষ্টাইল ফৰ চাষ্টেইনেবিলিটি অৰ্থাৎ স্থায়িত্বৰ বাবে জীৱনশৈলী অভিযানৰ শুভাৰম্ভ কৰিব। পৰহিলৈ দিল্লীলৈ উভতি অহাৰ পূৰ্বে তেওঁ ভূৱনেশ্বৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ ত্ৰয়োদশ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা তিনিদিনীয়া চৰকাৰী কাৰ্যসূচীৰে ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদী ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মস্কোলৈ যাব। নেতা দুয়োগৰাকীয়ে দুয়োখন দেশৰ মাজৰ বহুপাক্ষিক সম্পৰ্কৰ সকলো দিশৰ পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত সাম্প্ৰতিক আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ লৈ মত বিনিময় কৰিব। এই ২২ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত প্ৰতিৰক্ষা, বাণিজ্য, বিনিয়োগ চুক্তি, শক্তি সহযোগিতা, বিজ্ঞান আৰু প্ৰযুক্তি, শিক্ষা তথা সংস্কৃতি আদি বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰা হ'ব। ৰাছিয়া ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদী মঙলবাৰে অষ্ট্ৰিয়াত উপস্থিত হ'ব। এয়া হ'ব বিগত ৪১ বছৰত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম অষ্ট্ৰিয়া ভ্ৰমণ। শ্ৰীমোদীয়ে মস্কো আৰু ভিয়েনাত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। অষ্ট্ৰিয়া ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ভেন ডাৰ বেলেনক সাক্ষাৎ কৰাৰ লগতে অষ্ট্ৰিয়াৰ চেঞ্চেলৰ কাৰ্ল নেহাম্মেৰৰ সৈতেও আলোচনাত মিলিত হ'ব। শ্ৰীমোদী আৰু অষ্ট্ৰিয়াৰ চেঞ্চেলৰগৰাকীয়ে দুয়োখন দেশৰ ঔদ্যোগিক নেতাসকলকো সম্বোধন কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভিয়েনা ভ্ৰমণক অষ্ট্ৰিয়াৰ চেন্সেলৰ কাৰ্ল নেহাম্মেৰে কালি "বিশেষ সন্মান" বুলি অভিহিত কৰি কয় যে তেওঁ ইয়াৰ বাবে আগ্ৰহেৰে বাট চাই আছে। প্ৰধানমন্ত্ৰী মোডীয়ে ৯ জুলাইত মস্কোৰ পৰা অষ্ট্ৰিয়াত উপস্থিত হোৱাৰ কথা। শুকুৰবাৰে বৈদেশিক সচিব বিনয় কোৱাট্ৰাই আন্তঃগাঁথনি, নবীকৰণযোগ্য শক্তি, উচ্চ প্ৰযুক্তিৰ ক্ষেত্ৰ, ষ্টাৰ্ট-আপ খণ্ড, সংবাদ মাধ্যম আৰু মনোৰঞ্জনৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতাৰ বাবে অষ্ট্ৰিয়াক উৎকৃষ্ট সুযোগ প্ৰদান কৰা "গুৰুত্বপূৰ্ণ মধ্য ইউৰোপীয় দেশ" বুলি অভিহিত কৰে। তেওঁ ভাৰত-অষ্ট্ৰিয়াৰ বাণিজ্য আৰু বিনিয়োগৰ ক্ৰমবৰ্ধমান সম্পৰ্কৰ ওপৰতো আলোকপাত কৰে। ভাৰত আৰু অষ্ট্ৰিয়াই যোৱা বছৰৰ মে' মাহত প্ৰব্ৰজন আৰু গতিশীলতাৰ এখন চুক্তি স্বাক্ষৰ কৰিছিল আৰু দুয়োখন দেশেই দ্বিপাক্ষিক অংশীদাৰিত্বৰ নতুন ক্ষেত্ৰ সম্প্ৰসাৰণ আৰু অন্বেষণৰ বাবে ঘনিষ্ঠভাৱে কাম কৰি আছে।

০০০০০

অহা ২২ জুলাইৰ পৰা সংসদৰ বাজেট অধিবেশন অনুষ্ঠিত হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে এই অধিবেশন ১২ আগষ্টলৈকে চলিব। তেওঁ কয় যে ২৩ জুলাইত লোকসভাত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৃতীয়টো কাৰ্যকালত উত্থাপন কৰিবলগীয়া প্ৰথমখন বাজেট।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যোৱা কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি ৰথযাত্ৰা উপলক্ষে জগন্নাথ মন্দিৰৰ মংগল আৰতিত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে আহমেদাবাদৰ নাৰনপুৰাদ এখন মাল্টি স্পেচিয়েলিটি হাস্পতাল আৰু আম্বাবাড়ীত এটা বিদ্যাৰ্থী ভৱন মুকলি কৰিব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জাৰি কৰা মুষলধাৰ বৰষুণৰ সতৰ্কবাণীৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰাখণ্ডত চলি থকা চাৰ ধাম যাত্ৰা আজি স্থগিত ৰখা হৈছে। পৰহি সন্ধিয়া গড়ৱাল সংমণ্ডল আয়ুক্ত বিনয় শংকৰ পাণ্ডেই এই সন্দৰ্ভত এটা নিৰ্দেশনা জাৰি কৰি মন্দিৰ অভিমুখী তীৰ্থযাত্ৰীসকলক আগবাঢ়ি যোৱাৰ পৰা বিৰত থাকিবলৈ আৰু য'ত আছে তাতেই থাকিবলৈ আহ্বান জনাইছে। বৰষুণৰ সম্ভাৱনা আৰু বিভিন্ন পথত হোৱা ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত ঋষিকেশৰ সিপাৰে যাত্ৰা নকৰিবলৈ তীৰ্থযাত্ৰীসকলক আহ্বান জনোৱা হৈছে। বতৰ ফৰকাল হ'লেহে তীৰ্থযাত্ৰীসকলক যাত্ৰা পুনৰ আৰম্ভ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। পৰহি বতৰ বিজ্ঞান বিভাগে উত্তৰাখণ্ডৰ সকলো জিলাতে দেওবাৰ আৰু সোমবাৰে প্ৰচণ্ডৰ পৰা অতি প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্কবাণী জাৰি কৰিছিল।

০০০০০

ইউৰো কাপ ফুটবল প্ৰতিযোগীতাত কালি নিশা ইংলেণ্ড আৰু নেদাৰলেণ্ডে ৰোমাঞ্চকৰ জয়েৰে ছেমি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। ইংলেণ্ড আৰু চুইজাৰলেণ্ডৰ মাজত হোৱা খেলখনত নিৰ্ধাৰিত সময়ত ১-১ গ'লত উত্তেজনাপূৰ্ণ ড্ৰ হোৱাৰ পাছত পেনাল্টিত ইংলেণ্ডে ৫-৩ গ'লত চুইজাৰলেণ্ডক পৰাস্ত কৰে। খেলৰ ৭৫ মিনিটত ব্ৰীল এম্বোলোৱে ছুইজাৰলেণ্ডক আগুৱাই লৈ যায় যদিও মাত্ৰ পাঁচ মিনিটৰ পিছতে বুকায়ো ছাকাই সমতা স্থাপন কৰে। পেনাল্টি শ্বুটআউটত ইংলেণ্ডে পাঁচটা গল দিয়াৰ বিপৰীতে ছুইজাৰলেণ্ডে তিনিটা গল দিবলৈ সমৰ্থ হয়। কোৱাৰ্টাৰ ফাইনেলৰ আন এখন খেলত নেদাৰলেণ্ডে তুৰস্কক ২-১ গ'লত পৰাস্ত কৰে। খেলৰ ৩৫ মিনিটত ছামেত আকাইডিনৰ গলৰ সৈতে তুৰস্কে অগ্ৰগতি লাভ কৰাৰ বিপৰীতে ষ্টেফান ডি ভ্ৰিজে ৭৫ মিনিটত দিয়া গলটোৱে সমতা স্থাপন কৰিছিল। ইয়াৰ ছয় মিনিটৰ পাছতে মেৰ্ট মুলদুৰৰ নিজৰ গ'লটোৱে তুৰস্কৰ যাত্ৰাৰ অন্ত পেলায়। এতিয়া ইংলেণ্ডে বৃহস্পতিবাৰে দ্বিতীয়খন ছেমি ফাইনেলত নেদাৰলেণ্ডৰ বিৰুদ্ধে খেলিব। আনহাতে স্পেইন বুধবাৰে হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্সৰ মুখামুখি হ'ব।

০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ চলিত পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেল আজি জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। আয়োজক দেশ জিম্বাব'ৱেই প্ৰথমখন খেলত জয়লাভ কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰি আছে। কালিৰ উদ্বোধনী খেলখনত ছিকন্দৰ ৰাজা নেতৃত্বাধীন জিম্বাব'ৱেই ভাৰতক ১৩ ৰানত পৰাজিত কৰে। খেলখনত জিম্বাব'ৱেই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ১১৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০২ ৰানহে কৰিবলৈ সক্ষম হয়।

০০০০০

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি মহিলা ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথমখন খেলত ১২ ৰানত পৰাজিত হোৱা ভাৰতৰ মহিলা দলটোৱে আজিৰ খেলখনত জয়লাভৰ বাবে আপ্ৰাণ চেষ্টা চলাব। প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰণ কৰি দিয়া ১৯০ ৰানৰ বিজয় লক্ষ্যৰ প্ৰত্যুত্তৰত ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত মাত্ৰ ১৭৭ কৰিবলৈ সক্ষম হয়। তিনিখনীয়া এই শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল পৰহিলৈ অনুষ্ঠিত হ'ব।

০০০০০

ভাৰতৰ এক নম্বৰ মল্লযোদ্ধা ৱিনেশ ফোগটে কালি মাড্ৰিডৰ স্পেইনত অনুষ্ঠিত গ্ৰাঁ প্ৰি প্ৰতিযোগিতাৰ মহিলাৰ ৫০ কিলোগ্ৰাম ওজন শাখাত সোণৰ পদক অৰ্জন কৰিছে। বিশ্ব চেম্পিয়নশ্বিপত দুবাৰকৈ ব্ৰঞ্জৰ

পদক বিজেতা ফোগটে ফাইনেলত ৰাছিয়াৰ মাৰিয়া টিউমেৰেক'ভাক ১০-৫ ফলাফলত পৰাস্ত কৰি খিতাপ দখল কৰে। স্পেইনত প্ৰশিক্ষণ তথা প্ৰতিযোগিতা সামৰি খেলুৱৈগৰাকীয়ে পেৰিছ্ গেমছত অংশগ্ৰহণ কৰাৰ বাবে ২০ দিনীয়া প্ৰশিক্ষণৰ উদ্দেশ্যে ফ্ৰান্সলৈ যাত্ৰা কৰিব।

০০০০০

সমাপ্ত